# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 24-10-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰোজগাৰ মেলাৰ সপ্তদশ পৰ্যায়ৰ অধীনত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি-পত্ৰ বিতৰণ কৰিব।

২। ভাৰতৰ নিৰ্বাচন আয়োগে মুখ্য নিৰ্বাচনী বিষয়াসকলক ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে।

৩। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই বাণিজ্যিক বুজাবুজিৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী পিয়ুষ গোৱেলে প্ৰকাশ কৰিছে।

৪। ৰাচীৰ বিৰছা মুণ্ডা ষ্টেডিয়ামত আজিৰে পৰা ছাফ গেমছ  অনুষ্ঠিত হ'ব।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা  এখন খেলত ভাৰতে নিউজিলেণ্ডক ৫৩ ৰানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰোজগাৰ মেলাৰ সপ্তদশ পৰ্যায়ৰ অধীনত আজি পুৱা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাত অতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰিব। প্ৰধানমন্ত্ৰীয়ে নৱনিযুক্ত প্ৰাৰ্থীসকলক উদ্দেশ্যি ভাষণ দিব। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ডঃ জিতেন্দ্ৰ সিং আৰু পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অজয় তামতা উপস্থিত থাকিব। তামিলনাডুত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ডঃ এল মুৰুগাণে প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰিব। একেদৰে আয়ুষ আৰু স্বাস্থ্য তথা পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱে মাদুৰাইত আৰু বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰীয়ে তিৰুচিৰাপল্লিত প্ৰাৰ্থীসকলৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰিব।

ৰোজগাৰ মেলা হৈছে নিয়োগ সৃষ্টিক সৰ্বাধিক অগ্ৰাধিকাৰ দিয়াৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিশ্ৰুতিবদ্ধতা পূৰণৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। এই ব্যৱস্থাই যুৱক-যুৱতীসকলৰ সৱলীকৰণ তথা ৰাষ্ট্ৰ নিৰ্মাণত অংশগ্ৰহণৰ বাবে তেওঁলোকক অৰ্থপূৰ্ণ সুযোগ প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

ooooo

ভাৰতৰ নিৰ্বাচন আয়োগে মুখ্য নিৰ্বাচনী বিষয়াসকলক নিৰ্দিষ্ট ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। নতুন দিল্লীত কালি মুখ্য নিৰ্বাচনী

বিষয়াসকলৰ দুদিনীয়া সন্মিলনৰ সামৰণি পৰে। মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ অধ্যক্ষতাত  অনুষ্ঠিত এই সন্মিলনত নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীয়ে অংশ লয়। ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন সন্দৰ্ভত আয়োগৰ জ্যেষ্ঠ বিষয়াসকলে বিৰৰণী দিয়াৰ পাছত মুখ্য নিৰ্বাচনী বিষয়াসকলে উত্থাপন কৰা প্ৰশ্নসমূহৰ উত্তৰ দিয়া হয়। সমগ্ৰ দেশৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকলে এই সন্মিলনত ভাগ লয়। আয়োগে লগতে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া অসম, তামিলনাডু, পুডুচেৰী, কেৰালা আৰু পশ্চিমবংগৰ মুখ্য নিৰ্বাচনী বিষয়াসকলৰ সৈতেও আলোচনাত মিলিত হয়।

০০০০০

গগণযান অভিযানৰ মানৱৰহিত পৰীক্ষামূলক উৎক্ষেপণ জি ৱানৰ ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু ডিচেম্বৰৰ প্ৰথম সপ্তাহত ইয়াৰ উৎক্ষেপণৰ বাবে সাজু হৈছে বুলি ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ অধ্যক্ষ ড° ভি. নাৰায়ণনে প্ৰকাশ কৰিছে। বাংগালুৰুত  কালি সাংবাদিকৰ আগত ড° নাৰায়ণনে কয়, যে ক্ৰু এছকেপ ব্যৱস্থা, পেৰাছুট ব্যৱস্থা, যোগাযোগ ব্যৱস্থা আৰু অন্যান্য উপ ব্যৱস্থাসমূহৰ পৰীক্ষা সফলতাৰে সম্পন্ন হৈছে। তেওঁ কয়, যে প্ৰথমে মানৱৰহিত অভিযানৰ অংশ হিচাপে ব্যোমমিত্ৰ নামৰ মানৱ আকৃতিৰ ৰবট মহাকাশলৈ প্ৰেৰণ কৰা হ'ব। ২০২৭ চনত গগণযানত মহাকাশলৈ মানুহ প্ৰেৰণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে য'ত ৩ গৰাকী ভাৰতীয় মহাকাশচাৰীয়ে যাত্ৰা কৰিব আৰু তেওঁলোকক পুনৰ ঘূৰাই অনা হ'ব। ড° নাৰায়নণে নিছাৰ পৃথিৱী নিৰীক্ষণ কৃত্ৰিম উপগ্ৰহ সন্দৰ্ভত কয়, যে ইয়াৰ পেল'ড ১০ৰ পৰা ১৫ দিনৰ ভিতৰত সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ উঠিব। ভাৰতীয় অন্তৰীক্ষ কেন্দ্ৰ সন্দৰ্ভত অধ্যক্ষগৰাকীয়ে ইয়াৰ প্ৰথমটো আধাৰ মডিউল ২০২৮ত মুকলি  কৰা হ'ব বুলি জানিবলৈ দিয়ে। ইছৰোৱে ২০৩৫ চনৰ ভিতৰত মহাকাশ কেন্দ্ৰৰ সপোন বাস্তৱায়িত কৰাৰ বাবে কাম কৰি আছে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে নতুন দিল্লীৰ ৰে'ল ভৱনৰ বিশেষ কক্ষৰ পৰা কালি এই উৎসৱৰ বতৰত ৰে'ল যাত্ৰীসকলৰ যাতায়াতৰ সুবিধাৰ বাবে চলাচল কৰোৱা বিশেষ ৰে'লৰ বিষয়ে সবিশেষ বুজ লয়। তেওঁ সমাগত ষট্ পূজাৰ প্ৰতি লক্ষ্য ৰাখি বাবে ৰে'ল কৰ্তৃপক্ষই যাত্ৰীৰ সুবিধাৰ বাবে গ্ৰহণ কৰা প্ৰস্তুতি সন্দৰ্ভত বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। উৎসৱত বতৰত যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ৰে'ল ষ্টেচনসমূহত সু-ব্যৱস্থা গঢ়ি তোলা আৰু পৰ্যাপ্ত নিৰীক্ষণ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয়, যে তিনিটা পৰ্যায়ত সমগ্ৰ দেশতে ৰে'লৱে ব'ৰ্ড, মাণ্ডলিক পৰ্য্যায় আৰু খণ্ড পৰ্যায়ত এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে আটাইকেইটা পৰ্য্যায়তে সমন্বয়ৰে কাম-কাজ সম্পন্ন কৰা হয়। শ্ৰীবৈষ্ণৱে কয়, যে অতিৰিক্তভাৱে প্ৰতিটো ডাঙৰ ৰে'ল ষ্টেচনত এটা ক্ষুদ্ৰ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে, যাতে সকলো ৰে'ল ষ্টেচনৰ লগতে সমন্বয় ৰক্ষা কৰিব পৰা যায়।

উল্লেখযোগ্য যে, পৰৱৰ্তী তিনিটা দিনত নিয়মীয়া ৰে'লৰ উপৰিও এহেজাৰ ৫০০ খন বিশেষ ৰে'ল চলাচল কৰোৱা হ'ব। প্ৰতিদিনে প্ৰায় ৩০০ খন বিশেষ ৰে'ল চলোৱা হ'ব। চলিত মাহৰ ১ তাৰিখৰ পৰা অহা মাহৰ ৩০ তাৰিখ পৰ্যন্ত ১২ হাজাৰৰো অধিক বিশেষ ৰে'লগাড়ীৰ চলাচলৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই বাণিজ্যিক বুজাবুজিৰ ক্ষেত্ৰত উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে প্ৰকাশ কৰিছে। দূৰদৰ্শনৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত শ্ৰীগোৱেলে কয়, যে দুয়োপক্ষই ভাৰত আৰু আমেৰিকাৰ দলসমূহৰ সৈতে এই সম্পৰ্কীয় আলোচনা আগবঢ়াই নিয়াৰ উদ্দেশ্যে সক্ৰিয়ভাৱে কাম কৰি আছে। ভাৰতৰ বাণিজ্য সচিবে অলপতে আমেৰিকা ভ্ৰমণ কৰি দেশখনৰ বাণিজ্য সচিবক সাক্ষাৎ কৰে আৰু এখন যুক্তিপূৰ্ণ তথা ন্যায়সংগত চুক্তি সন্দৰ্ভত বুজাবুজি কৰাৰ ক্ষেত্ৰত আলোচনা কৰে বুলিও মন্ত্ৰীগৰাকীয়ে জনায়। অতি শীঘ্ৰেই উভয় ৰাষ্ট্ৰই এনে এখন ইতিবাচক চুক্তিত উপনীত হ'ব পাৰিব বুলিও শ্ৰীগোৱেলে আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকী সম্প্ৰতি ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত মুক্ত বাণিজ্য চুক্তি আৰু অন্যান্য বাণিজ্যিক বিষয়সমূহ আলোচনা কৰাৰ উদ্দেশ্যে জাৰ্মানীত আছে।

ooooo

নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰ্যালয়ে ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন অভিযানৰ বাবে লগ'ৰ আৰ্হি প্ৰতিযোগিতা ঘোষণা কৰিছে। মন্ত্ৰ্যালয়ে এটা বিজ্ঞপ্তিযোগে জানিবলৈ দিছে যে, এই প্ৰতিযোগিতাত বিজয়ীগৰাকীক নগদ ১ লাখ টকাৰ পুৰস্কাৰ আৰু প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব। এই লগ'টোৰ আৰ্হিত এই অভিযানৰ কথা, সেউজ হাইড্ৰ'জেন উৎপাদনৰ ক্ষেত্ৰত দেশৰ আত্ম-নিৰ্ভৰশীলতা তথা ইয়াৰ উৎপাদনৰ ক্ষেত্ৰত গোলকীয় হাব তথা ইয়াৰ ব্যৱহাৰ, ৰপ্তানি আদিৰ ক্ষেত্ৰত দেশ উদ্ভাসিত হৈ অহাটো প্ৰতিফলিত হ'ব লাগিব। অহা মাহৰ ৫ তাৰিখৰ ভিতৰত মাই গভ প'ৰ্টেলৰ যোগেদি আগ্ৰহীসকলে তেওঁলোকৰ লগ' দাখিল কৰিব পাৰিব।

ooooo

পাকিস্তান চৰকাৰে দেশখনৰ সন্ত্ৰাসবাদ প্ৰতিৰোধী আইনৰ অধীনত তেহৰিক-ঈ-লাবাইক পাকিস্তান TLP ক পুনৰ নিষিদ্ধ ঘোষণা কৰিছে। শেহতীয়াকৈ দেশখনত হোৱা হিংসাত্মক প্ৰতিবাদত কেইবাগৰাকীও লোক নিহত আৰু ভালেসংখ্যক লোক আহত হোৱাৰ পিছতে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কালি এখন কেবিনেট বৈঠকৰ পাছত এই বিষয়ে ঘোষণা কৰা হয়।

ooooo

দক্ষিণ এছিয় ছিনিয়ৰ এথলেটিক্স চেম্পিয়নশ্বিপ- ছাফ গেমচ আজিৰে পৰা ৰাচীৰ বিৰছা মুণ্ডা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। আয়োজক দেশ ভাৰতত চতুৰ্থ সংস্কৰণৰ এই প্ৰতিযোগিতা ১৫ বছৰ বিৰতিৰ মূৰত অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে ২০০৮ চনত কোচিত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। তিনিদিনীয়া এই প্ৰতিযোগিতাখন দক্ষিণ এছিয় এথলেটিক্স ফেদাৰেচনে আয়োজন কৰিছে। ভাৰত, শ্ৰীলংকা, বাংলাদেশ, নেপাল, ভূটান আৰু মালদ্বীপৰ ২০৬ জন খেলুৱৈয়ে ৩৭টা পদকৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। পাকিস্তানক এই প্ৰতিযোগিতালৈ আমন্ত্ৰণ জনোৱা হৈছিল যদিও দেশখনে ইয়াত অংশগ্ৰহণ নকৰে। 4 x 400 মিটাৰ মহিলাৰ ৰিলে দলক নেতৃত্ব দিয়া এম আৰ পুভাম্মাকে ধৰি কেইবাগৰাকীও প্ৰতিষ্ঠিত খেলুৱৈ ভাৰতীয় দলটোত আছে। ৭৩ জনীয়া ভাৰতীয় দলটোত অন্তৰ্ভুক্ত ছিমা, প্ৰণৱ গৌৰৱ আৰু সমৰদ্বীপ গিলৰ পৰা পদক জয়ৰ আশা কৰা হৈছে।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাত যোৱানিশা নবী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ভাৰতে নিউজিলেণ্ডক ৫৩ ৰানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে প্ৰথমে বেট ধৰি অপেনাৰ প্ৰতীকা ৰাৱল আৰু স্মৃতি মান্ধানাৰ শতকৰ সহায়ত ৪৯ অভাৰত তিনিটা উইকেট হেৰুৱাই ৩৪০ ৰানৰ বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। বৰষুণৰ বাবে  খেলখন ৪৯ অভাৰতে সীমিত কৰা হয়। মান্ধানাই ১০৯ আৰু ৰাৱলে ১২২ ৰান কৰে। নিউজিলেণ্ডক ডাক ৱৰ্থ লুইচ পদ্ধতিৰে ৪৪ অভাৰত ৩২৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হয়। নিউজিলেণ্ডে  নিৰ্ধাৰিত অভাৰত ৮ উইকেটৰ বিনিময়ত ২৭১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ ব্ৰুক হেলিডে সৰ্বাধিক ৮১ ৰান কৰে।

ভাৰতে এই জয়ৰ সুবাদত ৬ পইণ্ট লাভ কৰি অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

**সমাপ্ত**